**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-12-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

প্ৰতিগৰাকী দিব্যাংগৰ অধিকাৰ আৰু সৰ্বাংগীন উন্নয়ন নিশ্চিত কৰাৰ লক্ষ্যৰে আজি আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন কৰা হয়। অসমতো আজি ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন কৰা হয়। এই অনুষ্ঠানত বিভাগীয় মন্ত্ৰী পীযুষ হাজৰিকাই অংশগ্ৰহণ কৰি ভাষণ দিয়ে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে দিব্যাংগসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। পৃথিৱীৰ ১৬ শতাংশ ব্যক্তি দিব্যাংগ আৰু অসমৰো কেইবা হাজাৰো লোক দিব্যাংগ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁলোকক একেলগে সামৰি লৈ সমাজৰ বাবে কাম কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰয়াস কৰি আহিছে। মন্ত্ৰীগৰাকীয়ে আজি আন্তৰ্জাতিক দিব্যাংগ দিৱস উপলক্ষে কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনৰ গুৱাহাটীস্থিত বিশেষভাৱে সক্ষম ব্যক্তিৰ দক্ষতা বিকাশ, পুনৰবাসন আৰু সৱলীকৰণৰ সংহত ক্ষেত্ৰীয় কেন্দ্ৰ অৰ্থাৎ চি আৰ চিৰ উদ্যোগত আয়োজিত অনুষ্ঠানতো উপস্থিত থাকে। এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে দিব্যাংগ ব্যক্তিসকলৰ সমাজত সম অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ সকলোৰে একেলগে চেষ্টা চলাব লাগিব বুলি উল্লেখ কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিব্যাংগ লোকসকলৰ সবলীকৰণৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়োৱা ৩৩ গৰাকী ব্যক্তি আৰু প্ৰতিষ্ঠানক আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে। অনুষ্ঠানত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড° বীৰেন্দ্ৰ কুমাৰে দিবাংগসকলৰ জীৱন সুগম কৰি তোলাৰ উদ্দেশ্যে গ্ৰহণ কৰা ১৬টা বিশেষ পদক্ষেপৰ কথা ঘোষণা কৰে। সামাজিক পৰিৱৰ্তনক উৎসাহিত কৰাৰ উদ্দেশ্যে চৰকাৰী আৰু বে-চৰকাৰী সংস্থাৰ প্ৰতিনিধি, বিশেষজ্ঞ আৰু বিভিন্ন ক্ষেত্ৰৰ হিতাধিকাৰীক একত্ৰিত কৰাই এই দিৱসৰ মূল উদ্দেশ্যে।

কটন বিশ্ববিদ্যালয়ৰ বিশেষভাৱে সক্ষম মঞ্চই আজি আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে এটা সজাগতামূলক পদযাত্ৰা উলিয়ায়। ৰাজ্যৰ অন্যান্য জিলাতো এই দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে দিব্যাংগসকলৰ সৰ্বাত্মক বিকাশ আৰু কল্যাণৰ লক্ষ্যৰে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

মৰিগাঁও জিলাতো আজি আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস পালন কৰা হয়। এটা বেচৰকাৰী সংস্থাৰ সৌজন্যত আৰু মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত আয়োজিত অনুষ্ঠানৰ অংশ হিচাপে দিব্যাংগসকলৰ সৃষ্টিশীল কৰ্মৰাজিৰ প্ৰদৰ্শনী মুকলি কৰা হয়। নগাঁও জিলা ন্যায় সেৱা প্ৰাধিকাৰী, জিলা সমাজ কল্যাণ বিভাগ, সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থা আৰু জিলা প্ৰতিবন্ধী সন্থাৰ সহযোগত আজি এই দিৱস পালন কৰা হয়।

ooooo

ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনি উন্নীতকৰণ আৰু জনসাধাৰণক মান সম্পন্ন স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্যৰে সমগ্ৰ অসমত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হৈছে। ২০২২ বৰ্ষৰ পৰা বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হিত ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে।

এই উৎসৱৰ সময়ছোৱাত ৰাজ্যৰ প্ৰায় এহেজাৰ ছশ স্বাস্থ্য কেন্দ্ৰত চিকিৎসা সেৱা আৰু আন্তঃগাথনি মূল্যায়ন কৰা হ'ব।

**কামৰূপ** মহানগৰ জিলাৰ ৫৬ টা স্বাস্থ্য কেন্দ্ৰ, **শিৱসাগৰৰ** ৪৫ খন চিকিৎসালয়, **মাজুলীৰ** ১৬টা স্বাস্থ্য কেন্দ্ৰ, **দৰং** জিলাত ৪৭টা স্বাস্থ্য কেন্দ্ৰ, **তিনিচুকীয়াৰ** ১৭ খন চিকিৎসালয় আৰু ৫ টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠান, **গোলাঘাট** জিলাৰ ৭১ খন চৰকাৰী চিকিৎসালয়, **চৰাইদেউ** জিলাৰ ৩৮ খন চিকিৎসা প্ৰতিষ্ঠানত ৩ দিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। একেদৰে **লখিমপুৰ** জিলাত ৫২ খন চিকিৎসালয়, **বঙাইগাওঁ** জিলাৰ ২৯ টা স্বাস্থ্যকেন্দ্ৰ, **ওদালগুৰি** জিলাৰ ৫০ খন চিকিৎসালয়, **চিৰাং** জিলাৰ ৩৪টা স্বাস্থ্য কেন্দ্ৰ, **নলবাৰী** জিলাৰ ৫৮ খন চিকিৎসালয় আৰু **দক্ষিণ শালমাৰা মানকাছৰ** জিলাৰ হাটশিঙিমাৰীৰ ১৭ টা স্বাস্থ্যকেন্দ্ৰতো এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। গোৱালপাৰা জিলাত ৫১ টা চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানক সামৰি এই কাৰ্যসূচী অনুষ্ঠিত হৈছে। ইয়াৰ বাবে জিলা প্ৰশাসনে ১৭ টা দুজনীয়া দল গঠন কৰি চিকিৎসা প্ৰতিষ্ঠানসমূহ মূল্যায়নৰ ব্যৱস্থা কৰিছে। ইয়াৰ উপৰি সকলো দিশ নিৰীক্ষণৰ বাবে ৰাজ্য চৰকাৰেও জিলাখনত বিভিন্ন বিভাগৰ ১১ গৰাকী শীৰ্ষ বিষয়াক নিয়োগ কৰিছে।

০০০০০০০

অৱসৰৰ লগে লগে পেঞ্চনৰ সা-সুবিধা প্ৰদান কাৰ্যসূচীৰ অংশ হিচাপে আজি মৰিগাঁও জিলাত অৱসৰ গ্ৰহণ কৰা তিনিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্দ্ধনা জনোৱাৰ লগতে অৱসৰকালীন সা-সুবিধাসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। এই উপলক্ষে মৰিগাঁৱৰ ঐতিহ্য ভৱনত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এনে পদক্ষেপৰ বাবে শিক্ষা বিভাগক প্ৰশংসা কৰে। তেওঁ অৱসৰ গ্ৰহণ কৰা শিক্ষকসকলক সৃষ্টিমূলক আৰু গঠনমূলক সামাজিক কামত জড়িত থাকিবলৈ আহ্বান জনায়।

০০০০০০০

**সমাপ্ত**